**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-05-2026 **Time :** 1100 Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশী মুদ্ৰা সঞ্চয়ৰ বাবে জনোৱা আহ্বান অনুসৰি ৰাজ্য চৰকাৰে এলানি ব্যয় সংকোচনৰ ব্যৱস্থা ঘোষণা কৰিছে। এই অনুসৰি চিকিৎসাজনিত কাৰণৰ বাহিৰে অন্য কাৰণত পৰৱৰ্তী ছমাহৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বিদেশ ভ্ৰমণ নিষিদ্ধ কৰা হৈছে। চৰকাৰী আৰু ব্যক্তিগত দুয়োধনৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য হ'ব। মন্ত্ৰীসভাত কালি লোৱা সিদ্ধান্ত অনুসৰি ৰাজ্য চৰকাৰে অহা ছমাহলৈ কোনো যান-বাহন ক্ৰয় নকৰে। ৰাজ্যপাল-মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলো মন্ত্ৰী-বিষয়াৰ কনভয়ৰ বাহনৰ সংখ্যাও ছমাহৰ বাবে হ্ৰাস কৰা হ'ব। একেদৰে বিগত বৰ্ষৰ তুলনাত ৰাজ্য চৰকাৰে পেট্ৰ'ল-ডিজেলত হোৱা চৰকাৰী ব্যয় ২০ শতাংশ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ৰাজ্য চৰকাৰে পৰৱৰ্তী ছমাহৰ বাবে কোনো বিদেশী সামগ্ৰীও ক্ৰয় নকৰে। অৱশ্যে ৰাজ্যৰ জনসাধাৰণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য নহ'ব। চৰকাৰে এই সময়ছোৱাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰেহে আলোচনা চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰিব। চৰকাৰী বিভাগ আৰু অনুষ্ঠানত ব্যৱহাৰৰ যান-বাহন ভাড়ালৈ ল'বলগীয়া হ'লে কেৱল বৈদ্যুতিক বাহনহে ভাড়াত লোৱা হ'ব। ইয়াৰ উপৰি ১৫ বছৰৰ বেছি পুৰণি পেট্ৰ'ল-ডিজেলচালিত যান-বাহন নিষিদ্ধ কৰাৰ প্ৰক্ৰিয়াও ত্বৰান্বিত কৰা হ'ব।

ooooooooo

দেশত ৬৯ দিনৰ বাবে অপৰিশোধিত তেল আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ মজুত আছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। ইন্ধন সৰবৰাহত এই পৰ্য্যন্ত কোনো সমস্যা হোৱা নাই বুলি উল্লেখ কৰি জনসাধাৰণক আতংকিত নহ'বলৈ তেওঁ আহ্বান জনায়। পশ্চিম এছিয়াৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি ইন্ধনৰ নাটনিক লৈ সৃষ্টি হোৱা আশংকাৰ মাজতে শ্ৰী পুৰীয়ে কালি এই আহ্বান জনায়। তেওঁ কয় যে দেশত ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইন্ধন আৰু অন্যান্য সামগ্ৰীৰ ব্যৱহাৰত সংযম ৰক্ষা কৰিবলৈ জনোৱা আহ্বানক সতৰ্কতাবাণী হিচাপে গ্ৰহণ কৰিবলৈ তেওঁ জনসাধাৰণক পৰামৰ্শ দিয়ে।

(বাইট) (হৰদীপ)

ooooooo

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি উন্নয়নৰ পুঁজিৰ অধীনত ৰাজ্যিক পথত অভাৰব্ৰীজ, আণ্ডাৰব্ৰীজ আৰু দলং নিৰ্মাণৰ বাবে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যলৈ কালি ৫৬৯ কোটি ৬৪ লাখ টকাত আৱণ্টন দিয়ে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে এই সন্দৰ্ভত সংশ্লিষ্ট ৰাজ্য আৰু অন্য পক্ষসমূহলৈ স্মাৰক লিপি জাৰি কৰিছে। এই স্মাৰক লিপি অনুসৰি অসমক সৰ্বাধিক ১৮৭ কোটি ৩২ লাখ টকা আৱণ্টন দিয়া হৈছে। অৰুণাচল প্ৰদেশৰ বাবে ১৬৪ কোটি ৯০ লাখ, মণিপুৰৰ বাবে ৪৬ কোটি ৬১ লাখ, মেঘালয়ৰ বাবে ৫৩ কোটি ১৯ লাখ, মিজোৰামৰ বাবে ৪৩ কোটি ৫০ লাখ, নাগালেণ্ডৰ বাবে ৩৪ কোটি ৯২ লাখ, ছিকিমৰ বাবে ১৫ কোটি ৬৯ লাখ আৰু ত্ৰিপুৰাৰ বাবে ২৩ কোটি ৫১ লাখ টকাত অনুমোদন দিয়া হৈছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে লগতে অসমলৈ ২০২৬-২৭ বৰ্ষৰ বাবে সেতুবন্ধন প্ৰকল্পৰ অধীনত ৰাজ্যিক পথসমূহত দলং নিৰ্মাণৰ বাবে ৩৩ কোটি ৯৪ লাখ টকাত আৱণ্টন দিছে।

ooooooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কালি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন

শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

দেশৰ সৰ্ববৃহৎ খুচুৰা দুগ্ধ উৎপাদন প্ৰতিষ্ঠান আমূল আৰু মাদাৰ ডেইৰীয়ে প্ৰতি লিটাৰ গাখীৰৰ মূল্য দুটকাকৈ বৃদ্ধি কৰিছে। এই নতুন মূল্য আজিৰেপৰা প্ৰযোজ্য হৈছে। উৎপাদন মূল্য বৃদ্ধি হোৱাৰ বাবে গাখীৰৰ মূল্য বঢ়াবলগীয়া হৈছে বুলি প্ৰতিষ্ঠান দুটাই প্ৰকাশ কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই ৰুজু কৰা গোচৰ সংক্ৰান্তত কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ পৱন খেড়া আজি পুনৰ অসম আৰক্ষীৰ অপৰাধ শাখাত হাজিৰ হৈছে। অপৰাধ শাখাই কালি এই সংক্ৰান্তত খেড়াক সুদীৰ্ঘ সময় জেৰা কৰে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ লগতে কেইবাগৰাকীও আৰক্ষী বিষয়াই পৃথকে পৃথকে প্ৰায় ১১ ঘণ্টা জেৰা কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

০০০০০০০

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত দ্বিতীয় সৰ্বভাৰতীয় পুলিচ গেমছত অসমৰ উপ-আৰক্ষী অধীক্ষক বাৰ্ডি বড়োৱে টেবল টেনিছত দ্বিমুকুট অৰ্জন কৰিছে। বাৰ্ডিয়ে কালি অপেন ছিংগলছ আৰু ৰাজপত্ৰিত বিষয়া শিতানৰ ছিংগছলত একেৰাহে তৃতীয়বাৰৰ বাবে স্বৰ্ণ পদক লাভ কৰে। অপেন শিতানৰ ছিংগলছত বাৰ্ডিয়ে উত্তৰ প্ৰদেশ আৰক্ষীৰ সুব্ৰত ৰাজ বাৰ্মাক ৩-১ ফলাফলত পৰাস্ত কৰে। একেদৰে ৰাজপত্ৰিত বিষয়া শিতানৰ ছিংগছলত খেলুৱৈগৰাকীয়ে এম শ্ৰী অভিনৱৰ বিৰুদ্ধে ৩-০ ফলাফলত সহজ জয় সাব্যস্ত কৰে। এই জয়ৰ সুবাদত বাৰ্ডি বড়োৱে অষ্ট্ৰেলিয়াৰ পাৰ্থত হ'বলগীয়া বিশ্ব পুলিচ এণ্ড ফায়াৰ গেমছত দেশক প্ৰতিনিধিত্ব কৰিবলৈ যোগ্যতা অৰ্জন কৰে।

০০০০০০০০০

**সমাপ্ত**